समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



নৱম শ্ৰেণীৰ পাঠ্যপুথি

ৰাজনীতি খণ্ড আৰু অৰ্থনীতি বিজ্ঞান

অৰ্থনীতি বিজ্ঞান

পাঠ - ২

মূল অৰ্থনৈতিক সমস্যাসমূহ

অংশ – ৪

দীপিমণি দত্ত

মুদ্রাস্ফীতি (Inflation)



- সাধাৰণ মূল্যৰ স্তৰৰ অবিৰত বৃদ্ধিক মুদ্রাস্ফীতি বুলি জনা যায়।
- মুদ্রাস্ফীতিৰ সময়ত মূল্যবৃদ্ধি আৰু ধনৰ মূল্য হ্রাস পোৱা দেখা যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

মুদ্রাস্ফীতিৰ কাৰণ —

☛ মুদ্রাস্ফীতিৰ মূল কাৰণ দুটা।

1. চাহিদাজনিত
2. ব্যয়জনিত



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



1. চাহিদাজনিত —

- ইয়াৰ সৃষ্টি হয় যেতিয়া গ্ৰাহকৰ দ্বাৰা সামগ্ৰীৰ চাহিদা বৃদ্ধি পায়, কিন্তু, সেই অনুপাতে দ্ৰব্য সামগ্ৰীৰ যোগানৰ বৃদ্ধি নহয়।
- এনে অৱস্থাত মানুহৰ হাতত অধিক মুদ্ৰা বা ক্ৰয় ক্ষমতা থাকে, আৰু ইয়াৰে বজাৰত থকা কম পৰিমাণৰ দ্ৰব্য বা সেৱাৰ প্ৰতি চাহিদা বাঢ়ে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



☛ ফলস্বৰূপে দ্ৰব্য আৰু সেৱা বিলাকৰ মূল্য বৃদ্ধি পায়। এনে অৱস্থাত মুদ্ৰাস্ফীতিৰ সৃষ্টি হয়।

কালবৰ্ণ (Coulborn)ৰ মতে —

☛ 'অধিক পৰিমাণৰ মুদ্ৰাৰে অলপ সামগ্ৰী ক্ৰয় কৰিবলগীয়া হয়' তেনে অৱস্থাকে মুদ্ৰাস্ফীতি বুলি কোৱা হয়।

(Inflation is a situation of too much money chasing too few goods)

☛ তেওঁৰ মতে অধিক মুদ্রা তথা ক্রয়ক্ষমতা থকাৰ বাবে কম পৰিমাণৰ সামগ্রীৰ বিপৰীতে অধিক চাহিদাৰ সৃষ্টি হয় তেতিয়াই মূল্যস্তৰ বৃদ্ধি পায়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

2. ব্যয়জনিত —

☛ ব্যয়জনিত মুদ্রাস্ফীতি প্রধানকৈ তিনিটা কাৰকৰ ফলত সৃষ্টি হয় —

ক. মজুৰি বৃদ্ধি

খ. লাভৰ পৰিমাণ বৃদ্ধি আৰু

গ. দ্রব্যৰ ওপৰত আৰোপ কৰা কৰৰ বাবে হোৱা বোজা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



৩ টকাত এটা পিঁয়াজ! মুদ্রাস্ফীতিৰ হাৰ ইমান বেছি?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

1. মুক্ত আৰু দমিত মুদ্রাস্ফীতি (Open and suppressed inflation)

মুক্ত মুদ্রাস্ফীতি —

- যেতিয়া দৰ স্তৰৰ ওপৰত কোনো নিয়ন্ত্রণ নাথাকে আৰু দৰ অবাধে বৃদ্ধি হয় তেনে অৱস্থাক মুক্ত মুদ্রাস্ফীতি বুলি কোৱা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দমিত মুদ্রাস্ফীতি—

- এক প্ৰকাৰৰ মুদ্রাস্ফীতি য'ত চৰকাৰী হস্তক্ষেপে কৃত্রিমভাৱে মূল্যক মুক্ত বজাৰত হ'ব পৰাতকৈ কম কৰি ৰাখে।
- নিয়ন্ত্রণৰ পদ্ধতি —
  - ৰাজহুৱা বিতৰণ ব্যৱস্থা (পিডিএছ)
  - মূল্য নিয়ন্ত্রণ আৰু নিয়ম

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

2. মুদ্রাস্ফীতিৰ প্রভাৱ
(Effects of Inflation)



- পণ্যৰ মূল্য বৃদ্ধিৰ ফলত নির্দিষ্ট আয়ৰ লোকৰ বাবে আর্থিক সমস্যাৰ সৃষ্টি হয়।
- ব্যৱহাৰ বৃদ্ধিৰ ফলত সঞ্চয়ৰ বাবে ধন কম হয়।
- মুদ্রাস্ফীতিৰ সময়ত ধনৰ মূল্য হ্রাস পায়, যাৰ ফলত সঞ্চিত সম্পত্তিৰ মূল্য হ্রাস পায়।

- মুদ্রাস্ফীতিৰ বৃদ্ধিয়ে ৰপ্তানি খণ্ডত নেতিবাচক প্রভাৱ পেলায়, যাৰ ফলত ঘৰুৱা সামগ্রী আৰু ৰপ্তানিৰ আন্তঃৰাষ্ট্রীয় চাহিদা হ্রাস পায়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

3. মুদ্রাস্ফীতি নিয়ন্ত্রণৰ উপায়
(Means for Control of Inflation)



(ক) মৌদ্রিক নীতি

(খ) ৰাজকোষীয় নীতি

(গ) অমৌদ্রিক নীতি যেনে উৎপাদন বৃদ্ধি নীতি গ্ৰহণ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ক. মৌদ্রিক নীতি

- বেংকৰ হাৰ হ'ল সেই হাৰ যিটো হাৰত কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকক ঋণ প্রদান কৰে।
- মুদ্রাস্ফীতিৰ সময়ত বেংকৰ হাৰ বৃদ্ধি কৰা হয়, যাৰ ফলত বাণিজ্যিক বেংকৰ ঋণ দিয়াৰ প্রৱণতা কমি যায় ।
- ইয়াৰ ফলত ঋণ গ্রহণকাৰীয়ে ঋণ ল'বলৈ নিৰুৎসাহিত হয় আৰু বজাৰত ঋণ হ্রাস হৈ মুদ্রাস্ফীতি নিয়ন্ত্রিত হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

খ. ৰাজকোষীয় নীতি

- এই নীতিক 'আয় আৰু ব্যয়' নীতি বুলিও কোৱা হয়।
- চৰকাৰী ব্যয় কর্তন কৰি দেশত সামগ্রিক চাহিদা হ্রাস কৰিব পাৰি আৰু মুদ্রাস্ফীতিক নিয়ন্ত্রিত কৰিব পাৰি।
- তদুপৰি বিভিন্ন প্রকাৰৰ কৰ আৰোপ কৰি জনসাধাৰণৰ হাতত থকা অতিৰিক্ত মুদ্রা চৰকাৰৰ হাতলৈ আনিব পাৰি।

- ইয়াৰ ফলত সামগ্ৰিক চাহিদা হ্ৰাস পাব আৰু মুদ্ৰাস্ফীতি নিয়ন্ত্ৰিত হ'ব।
- ইয়াৰ উপৰিও চৰকাৰে জনসাধাৰণৰ পৰা ঋণ গ্ৰহণ কৰিও মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিব পাৰে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

গ. উৎপাদন বৃদ্ধি নীতি —

☛ দেশৰ চৰকাৰে অব্যৱহৃত সম্পদৰাজি সঠিক ভাবে ব্যৱহাৰ কৰি উৎপাদন প্রক্রিয়া ত্বৰান্বিত কৰিব পাৰিলে দেশত উৎপাদন বৃদ্ধি হ'ব আৰু সামগ্রীৰ বর্দ্ধিত চাহিদাৰ হাৰত যোগান বৃদ্ধি হৈ দৰ স্তৰ নিয়ন্ত্রিত হ'ব।

বহনক্ষম উন্নয়ন
(Sustainable Development)



- অর্থনৈতিক বৃদ্ধিৰ প্রতিযোগিতাই পৰিৱেশৰ অৱনতি ঘটাইছে, যাৰ ফলত বিশ্বৰ অস্তিত্বৰ প্রতি ভাবুকি আহি পৰিছে।
- পৃথিৱীৰ উষ্ণতা বছৰি বৃদ্ধি পোৱাৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধি আৰু জৈৱ বৈচিত্র্যৰ অৱনতি ঘটিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- বহনক্ষম উন্নয়ন হ'ল ভৱিষ্যত প্ৰজন্মৰ নিজৰ প্ৰয়োজন পূৰণৰ ক্ষমতাৰ লগত আপোচ নকৰাকৈ বৰ্তমানৰ প্ৰয়োজনীয়তা পূৰণ কৰা উন্নয়ন।
- ১৯৮৭ চনত ব্ৰুণ্ডটলেণ্ড (Brundtland commission) আয়োগে অবিৰত বা বহনক্ষম উন্নয়নৰ ধাৰণা আগবঢ়ায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

সেউজ অৰ্থনীতি
(Green Economy)



☛ যি অৰ্থনীতিৰ মূল লক্ষ্য হৈছে পৰিৱেশৰ প্ৰতি থকা ভাবুকি আৰু পৰিস্থিতি তন্ত্ৰ (Ecological system)ৰ সমস্যাৰাজি দূৰ কৰি বহনক্ষম উন্নয়ন লাভ কৰা, তেনে অৰ্থনীতিকে সেউজ অৰ্থনীতি বোলা হয়।



☛ পৰিৱেশ সচেতন ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহৰ বাবে এতিয়া মূলমন্ত্ৰ হৈছে: চিন্তা বিশ্বব্যাপী হওক, কাৰ্যপন্থা স্থানীয় হওক (Think globally; act locally)।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



অৰ্থনীতিৰ লক্ষ্য হ'ব লাগিব এখন সেউজীয়া পৃথিৱীৰ প্ৰতিপালন।



মূল্যায়ন

Under CSR Support by
ipca | Foundation

1 'অধিক পৰিমাণৰ মুদ্ৰাৰে অলপ সামগ্ৰী ক্ৰয় কৰিবলগীয়া হয়' তেনে অৱস্থাকে মুদ্ৰাস্ফীতি বুলি কোৱা হয়' - সংজ্ঞাটো কোনজন অৰ্থনীতি বিদে আগবঢ়াইছিল ?

Ans- কালবৰ্ণ (Coulborn)

মূল্যায়ন



2 যেতিয়া গ্ৰাহকৰ দ্বাৰা সামগ্ৰীৰ চাহিদা বৃদ্ধি পায়, কিন্তু, সেই অনুপাতে দ্ৰব্য সামগ্ৰীৰ যোগানৰ বৃদ্ধি নহয়- এনে পৰিস্থিতিক কি বুলি জনা যায় ?

মুদ্ৰাস্ফীতি (Inflation)